সংক্ৰামক কোনো বেমাৰ নাই, কোনো বস্তুক অশুভ বুলি ভবাও ঠিক নহয়। ফা'ল হৈছে মোৰ প্ৰিয়।" বৰ্ণনাকাৰীয়ে কৈছে, প্ৰশ্ন কৰা হ'লঃ ফা'ল কি? তেখেতে ক'লেঃ "উত্তম অৰ্থবোধক কথা।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি
অছাল্লামে কৈছেঃ "সংক্ৰামক কোনো বেমাৰ নাই, কোনো বস্তুক অশুভ বুলি ভবাও ঠিক নহয়। ফা'ল হৈছে মোৰ প্ৰিয়।" বৰ্ণনাকাৰীয়ে কৈছে, প্ৰশ্ন কৰা হ'লঃ ফা'ল কি? তেখেতে ক'লেঃ
"উত্তম অৰ্থবোধক কথা।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, জাহিলী যুগৰ লোকসকলে বিশ্বাস কৰিছিল যে, বেমাৰ-আজাৰ আল্লাহৰ নিৰ্ধাৰিত তাক্বদীৰ অবিহনেই ইজনৰ পৰা সিজনলৈ সংক্ৰমিত হয়। এইটো এটা অন্ধ বিশ্বাস। এইদৰে কোনো বস্তুক অশুভ বুলি বিশ্বাস কৰাও এটা অন্ধবিশ্বাস। সেইটো শুনিব পৰা কোনো কথাই হওক বা দেখিব পৰা কোনো বস্তু। যেনে- কোনো চৰাই-চিৰিকটি, জীৱ-জন্তু, বিশেষভাৱে সক্ষম কোনো লোক, কোনো নম্বৰ অথবা কোনো দিন আদি। হাদীছটোত তিয়াৰা শব্দটো বিশেষকৈ উল্লেখ এইকাৰণে কৰিছে যে, অজ্ঞতা যুগত ইয়াক শুভ-অশুভ লক্ষণৰ বাবে ব্যাপকভাৱে ব্যৱহাৰ কৰিছিল। সেই সময়ৰ আৰবীয়ানসকলে যেতিয়া কোনো কাম আৰম্ভ কৰিছিল, যেনে- ভ্ৰমণ হওক অথবা ব্যৱসায়-বাণিজ্য আদি, তেতিয়া সিহঁতে এটা চৰাই উৰুৱাইছিল। যদি চৰাইটো সোঁফালে উৰিছিল তেতিয়া সেইটোক শুভ লক্ষণ বুলি গণ্য কৰিছিল। আনহাতে যদি বাওঁফালে উৰিছিল তেতিয়া ইয়াক অশুভ লক্ষণ বুলি গণ্য কৰি সেই কৰিবলগীয়া কামটো বাতিল কৰিছিল। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে, ফা'ল হৈছে মোৰ পছন্দনীয়। এইটো হৈছে প্ৰত্যেক সেই কথা যিটো শুনিলে মানুহে আনন্দিত হয়, আৰু মহান আল্লাহৰ প্ৰতি ভাল ধাৰণা পোষণ কৰে।

http://www.sunnah.global/hadeeth/as/show/3422